# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-12-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

অৰুণাচল প্ৰদেশৰ আনজাও জিলাত কালি সংঘটিত এটা শোৰাৱহ পথ দুৰ্ঘটনাত অসমৰ ১৪ জন শ্ৰমিককে ধৰি কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোকপ্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ এক্স হেণ্ডেলত দুৰ্ঘটনাটোত প্ৰাণ হেৰুওৱা লোকসকলৰ আত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। শ্ৰীমোদীয়ে প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ অধীনত মৃতকৰ নিকট আত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। একেদৰে আহতসকলৰ চিকিৎসাৰ বাবে ৫০ হাজাৰ টকাৰ সাহায্য আগবঢ়োৱাৰ কথাও তেওঁ ঘোষণা কৰিছে। উল্লেখযোগ্য যে, পাহাৰীয়া অঞ্চলৰ পৰা শ্ৰমিক কঢ়িয়াই অনা এখন ডাম্পাৰ অৰুণাচলৰ হায়ুলিয়াং-ছাগ্লাগাম পথত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰাৰ ফলত এই দুৰ্ঘটনাটো সংঘটিত হয়। বাহনখনত অসমৰ কমেও ২১ গৰাকী শ্ৰমিক আছিল। ঘটনাৰ পাছতেই স্থানীয় প্ৰশাসন আৰু এন ডি আৰ এফে শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অভিযান চলায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অৰুণাচল প্ৰদেশত সংঘটিত এই শোকাৱহ পথ দুৰ্ঘটনাত অসমৰ শ্ৰমিকৰ প্ৰাণহানিৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকাৰ লগতে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াইছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ অহা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মণিপুৰৰ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰি যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কালি সন্ধিয়া ইম্ফলত এহেজাৰ ৩৮৭ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য খণ্ড, শিক্ষা, পথ আৰু ঘাইপথ, জনজাতি উন্নয়ন, কৃষি, বিদ্যুৎ আৰু খোৱাপানী যোগান প্ৰকল্প অন্যতম। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা নাগৰিক অভ্যৰ্থনা অনুষ্ঠানত অংশ লয়। অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে মণিপুৰৰ

জনসাধাৰণে শেহতীয়াকৈ সন্মুখীন হোৱা সমস্যাৰ বাবে দুখ প্ৰকাশ কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে এই বিষয়টোক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে আৰু ৰাজ্যখনলৈ শান্তি-শৃংখলা ঘূৰাই অনাৰ বাবে কাম কৰিছে।

–*বাইট*-

ৰাষ্ট্ৰপতি মুৰ্মুৱে কালি সন্ধিয়া ইম্ফলৰ ৰাজভৱনত ৰাজ্যখনৰ গৃহচ্যুত হোৱা লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে।

ooooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যু হোৱা সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ্ আই টিয়ে আজি আদালতত অভিযোগনামা দাখিল কৰিব। দীঘলীয়া অনুসন্ধান আৰু ৩ শতাধিক লোকৰ সাক্ষ্যৰ ভিত্তিত এছ্ আই টিয়ে গোচৰটোৰ অভিযোগনামা সাজু কৰি উলিয়াইছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰ অভিযোগনামা আজি আদালতত দাখিল কৰা হ'ব। অভিযোগনামা দাখিলৰ নিৰ্ধাৰিত সময়সীমা ১৮ ডিচেম্বৰত উকলি যাব যদিও ছদিন পূৰ্বেই এছ্ আই টিয়ে অভিযোগনামা দাখিল কৰিব বুলি এছ্ আই টিৰ মুৰব্বী মুন্নাপ্ৰসাদ গুপ্তাই ইতিমধ্যে প্ৰকাশ কৰিছে। এই ঘটনা সন্দৰ্ভত  ৰুজু হোৱা ১৯/২০২৫ নম্বৰৰ দ্বিতীয়টো গোচৰৰ তদন্ত অব্যাহত থাকিব। ছিংগাপুৰত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজন কৰা শ্যামকানু মহন্তৰ বিত্তীয় অনিয়মৰ অভিযোগ সন্দৰ্ভত সম্পূৰ্ণ পৃথককৈ তদন্ত কৰা হৈছে আৰু ইয়াৰ সৈতে মৃত্যুৰ গোচৰটোৰ সম্পৰ্ক নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত এই সন্দৰ্ভত কয়, যে আদালতত অভিযোগনামা দাখিলৰ পাছত এছ্ আই টি বা আৰক্ষীৰ কাম শেষ হ'ব আৰু নিৰ্ধাৰিত পদ্ধতি অনুযায়ী বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। তেওঁ আদালতৰ ওপৰত আস্থা ৰাখিবলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি আহ্বান জনাইছে।

ooooooo

ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৰাজহ চক্ৰসমূহৰ অধীনৰ চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলক প্ৰদান কৰিবলগীয়া ভূমি পট্টা সন্দৰ্ভত কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। চাহ শ্ৰমিকসকলৰ ভূমি অধিকাৰ নিশ্চিতকৰণ সন্দৰ্ভত আয়োজিত এই পৰ্যালোচনা সভাত মন্ত্ৰী কেশৱ মহন্ত, প্ৰশান্ত ফুকন, বিমল বৰাকে ধৰি কেইবাগৰাকী বিধায়ক আৰু জিলা আয়ুক্তই অংশগ্ৰহণ কৰে। চাহ শ্ৰমিক সমাজৰ কল্যাণ বিষয়ক এই সভাই অনাগত সময়ত চৰকাৰৰ কাৰ্য ব্যৱস্থা তথা প্ৰয়োজনীয় উদ্যোগসমূহক গতি প্ৰদানত বিশেষভাৱে সহায় কৰিব বুলি মন্ত্ৰী বিমল বৰাই আশা প্ৰকাশ কৰে।

ooooooo

**সমাপ্ত**